**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-April-2026
**Time :** 1800 HRS

***Assamese Evening Bulletin***

————————————————————————

# HEADLINES

::::::::::::::::::

১।  অভি-নীল হত্যাকাণ্ডৰ গোচৰত ২০ জনক দোষী সাব্যস্ত। ২৪ এপ্ৰিলত শাস্তি সন্দৰ্ভত ৰায়দান।

২।  জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ অন্যতম মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন দাখিল।

৩।  ধাৰাসাৰ বৰষুণৰ ফলত কামৰূপ মহানগৰ জিলাৰ ষ্ট্ৰং ৰূমসমূহৰ কোনো ক্ষতি হোৱা নাই বুলি জিলা নিৰ্বাচন বিভাগৰ প্ৰকাশ।

**আৰু**

৪।  ধেমাজি জিলাৰ মৰিধল মহাবিদ্যালয়লৈ স্বায়ত্বশাসিত মহাবিদ্যালয়ৰ স্বীকৃতি।

ooooo

নগাঁও জিলা ছেচন ন্যায়াধীশৰ আদালতে আজি অভি-নীল হত্যাকাণ্ডৰ চূড়ান্ত ৰায়দান কৰি ২০ জন অভিযুক্তক দোষী সাব্যস্ত কৰে। এই ৰায় অনুসৰি ২৫ জন অভিযুক্তক দোষমুক্ত কৰা হৈছে। ২৪ এপ্ৰিলত তেওঁলোকৰ শাস্তি সন্দৰ্ভত ৰায় দিয়া হ'ব। উল্লেখযোগ্য যে ২০১৮ চনৰ ৮ জুনত কাৰ্বি আংলঙৰ ডকমকাত শিশু অপহৰণকাৰীৰ সন্দেহত নীলোৎপল দাস আৰু অভিজিৎ নাথ নামৰ যুৱক দুজনক নৃশংসভাৱে হত্যা কৰাৰ অভিযোগত ভুক্তভোগীৰ পিতৃ-মাতৃয়ে দাখিল কৰা দুখন এজাহাৰৰ ভিত্তিত ডকমকা আৰক্ষীৰ চকীত এটা গোচৰ ৰুজু কৰা হৈছিল। ২০২৪ চনত আৰক্ষীয়ে এই গোচৰৰ অভিযোগনামা দাখিল কৰিছিল। প্ৰথম অৱস্থাত ডিফুত গোচৰৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল যদিও পাছত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি গোচৰটো নগাঁও জিলা ছেচন আদালতলৈ স্থানান্তৰ কৰা হয়। বাদি-বিবাদি পক্ষৰ অভিযোগ-প্ৰতি অভিযোগ শুনাৰ পাছত সুদীৰ্ঘ ৮ বছৰৰ মূৰত আজি এই গোচৰৰ চূড়ান্ত ৰায়দান কৰা হয়। অৱশ্যে এই ৰায়দানক লৈ ভুক্তভোগী যুৱক দুজনৰ পিতৃ সন্তুষ্ট নহয় বুলি সাংবাদিকৰ আগত ব্যক্ত কৰে।

**বাইট**

ooooo

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ অন্যতম মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাই আজি জামিন বিচাৰি আদালতত আবেদন কৰিছে। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত অভিযুক্তজনৰ হৈ তেওঁৰ অধিবক্তাই আজি জামিন আবেদন দাখিল কৰে। আবেদনৰ প্ৰতিলিপি অসম চৰকাৰৰ লোক অধিবক্তাৰ দলক

ইতিমধ্যে প্ৰদান কৰা হৈছে। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ আন জন মূল অভিযুক্ত শ্যামকানু মহন্তয়ো ইতিমধ্যে আদালতত জামিন আবেদন দাখিল কৰিছে। অভিযুক্তজনৰ এই আবেদন সন্দৰ্ভত পৰহিলৈ আদালতে শুনানি গ্ৰহণ কৰিব। সেইদিনাই জিয়াউল কামাৰ নেতৃত্বাধীন লোক অধিবক্তাৰ দলে অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন  আবেদনৰ বিৰুদ্ধে আদালতত যুক্তি প্ৰদৰ্শন কৰিব। অভিযুক্তসকলৰ বিৰুদ্ধে গোচৰৰ ধাৰা আৰোপৰ সপক্ষে আজি অসম চৰকাৰৰ হৈ লোক অধিবক্তাই আদালতত যুক্তি দাঙি ধৰে।

ooooo

গুৱাহাটী মহানগৰীত কালি ধাৰাসাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা বান পৰিস্থিতি আজি কিছু উন্নত হৈছে। আজি দিনৰ ভাগত বতৰ ফৰকাল হোৱাত জলমগ্ন অঞ্চলসমূহৰ পানী শুকাই আহিছে। জিলা প্ৰশাসন আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে অগ্নিনিৰ্বাপন বাহিনী, এছ ডি আৰ এফ আৰু এন ডি আৰ এফৰ সহযোগত বিভিন্ন অঞ্চলত উদ্ধাৰ আৰু সাহায্য অভিযান চলাই ভালেসংখ্যক লোকক ক্ষতিৰ সন্মুখীন হোৱাৰ পৰা ৰক্ষা কৰে। ৰুক্মিণীগাঁও, তৰুণ নগৰ, অনিল নগৰ, লাচিত নগৰ, ভৰলুমুখকে ধৰি কেইবাটাও অঞ্চলত ২২টা মুখ্য পাম্প আৰু ৩৫টা ভ্ৰাম্য পাম্পৰ সহায়ত পানী সিঁচা হয়। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ দৈনিক বৰষুণৰ তথ্য অনুসৰি কালি গুৱাহাটী মহানগৰী আৰু ইয়াৰ দাঁতিকাষৰীয়া বহু এলেকাত দুই-তিনি ঘণ্টাৰ ভিতৰতে ১০০ মিলিমিটাৰৰ অধিক বৰষুণ হয়। জিলা আয়ুক্ত স্বপ্নীল পালে আজি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। পৰৱৰ্তী সময়ত এনেধৰণৰ পৰিস্থিতিৰ সৃষ্টি নহ'বলৈ জিলা প্ৰশাসনে আগতীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰিব বুলি তেওঁ উল্লেখ কৰে। গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াইও আজি মহানগৰীৰ বান ক্ষতিগ্ৰস্ত বিভিন্ন অঞ্চল পৰিদৰ্শন কৰি জনসাধাৰণৰ সৈতে মত বিনিময় কৰে।

বৰষুণৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসনে জাৰি কৰা নিৰ্দেশ অনুসৰি আজি গুৱাহাটীৰ সকলো চৰকাৰী-বেচৰকাৰী শিক্ষানুষ্ঠান বন্ধ ৰখা হয়। বৰষুণে সৃষ্টি কৰা জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি গুৱাহাটী বিশ্ববিদ্যালয়ো বন্ধ ৰখা হয়। নেৰানেপেৰা বৰষুণৰ ফলত যিকোনো জলমগ্ন অঞ্চল অথবা ভূমিস্খলনত আৱদ্ধ হৈ পৰা লোকৰ সহায়ৰ বাবে জিলা প্ৰশাসনে হেল্পলাইন নম্বৰ মুকলি কৰিছে। জনসাধাৰণে 93654-29314 হোৱাটছ্এপ নম্বৰ অথবা 1077 টোল ফ্ৰী নম্বৰত ফোন কৰি জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰিব পাৰিব।

ধাৰাসাৰ বৰষুণৰ ফলত বাট-পথৰ চিন-মোকাম নোহোৱা হোৱাৰ পৰিণতিত মালিগাঁৱত মেনহ'লত পৰি যোৱানিশা এগৰাকী মহিলাৰ মৃত্যু হয়। বতৰ বিজ্ঞান বিভাগে অহা ২-৩ দিনলৈ ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত ধাৰাসাৰ বৰষুণ অব্যাহত থাকিব বুলি প্ৰকাশ কৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে বতৰৰ এই আগজাননীৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী মহানগৰীৰ জনসাধাৰণক আগতীয়া সাৱধানতা লোৱাৰ লগতে সতৰ্ক হৈ থাকিব আহ্বান জনাইছে।

ooooo

ধাৰাসাৰ বৰষুণৰ ফলত কামৰূপ মহানগৰ জিলাত স্থাপন কৰা ষ্ট্ৰং ৰুমসমূহ পানীত বুৰ যোৱা বুলি একাংশ সংবাদ মাধ্যমত প্ৰচাৰিত বাতৰিৰ সত্যতা জিলা নিৰ্বাচন বিভাগে দৃঢ়তাৰে অস্বীকাৰ কৰিছে। জিলা নিৰ্বাচনী বিষয়াই এখন প্ৰেছ বিজ্ঞপ্তিযোগে কয় যে গুৱাহাটীৰ মণিৰাম দেৱান বাণিজ্য কেন্দ্ৰত স্থাপন কৰা ষ্ট্ৰংৰুমসমূহ সম্পূৰ্ণ সুৰক্ষিত অৱস্থাত আছে আৰু এই ভৱনত কোনো ধৰণৰ ক্ষতি হোৱা নাই।

ইপিনে ৪ মে’ত হ’বলগীয়া বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি অব্যাহত ৰাখিছে। নিৰ্বাচন আয়োগে ভোটগণনাৰ পৰিপ্ৰেক্ষিতত ৪ মে’ৰ দিনটোত ৰাজ্যখনত সুৰা নিষিদ্ধ ঘোষণা কৰিছে। এই সময়ছোৱাত সুৰাৰ বিক্ৰী, মজুতকৰণ আৰু সৰবৰাহত নিষিদ্ধ ঘোষণা কৰা হৈছে।

যোৰহাট আৰৱৰ্ত ভৱনত আজি জিলা প্ৰশাসনে ভোটগণনা আৰু ফলাফল ঘোষণাৰ প্ৰস্তুতি সংক্ৰান্তীয় এখন বৈঠকৰ আয়োজন কৰে। জিলা আয়ুক্ত জয় শিৱানীৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত সমগ্ৰ প্ৰক্ৰিয়া নিকা, স্বচ্ছ আৰু নিয়াৰিকৈ পৰিচালনা সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, নিৰ্বাচনী বিষয়া চক্ৰ বিষয়াকে ধৰি উচ্চপদস্থ বিষয়াসকলে অংশগ্ৰহণ কৰে। ভোটগণনাৰ নীতি-নিৰ্দেশনা সন্দৰ্ভত এই বৈঠকত আলোচনা কৰাৰ লগতে আন্তঃগাঁথনিমূলক ব্যৱস্থাপনাসমূহৰ পৰ্যালোচনা কৰা হয়। ইভিএম, ভিভিপেট, ই টি পি বি এছ আৰু ডাক ভোটৰ গণনা প্ৰক্ৰিয়া যাতে সুকলমে সম্পন্ন হয় সেই বিষয়ে বিষয়াসকলক সজাগ কৰা হয়। এই ক্ষেত্ৰত নিৰ্বাচন আয়োগৰ নিৰ্দেশ কঠোৰভাৱে পালন কৰিবলৈ জিলা আয়ুক্তই সকলোকে আহ্বান জনায়।

ooooo

ধেমাজি জিলাৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান মৰিধল মহাবিদ্যালয়ক বিশ্ববিদ্যালয় অনুদান আয়োগ চমুকৈ ইউ জি চি এ স্বায়ত্বশাসিত মহাবিদ্যালয়ৰ স্বীকৃতি প্ৰদান কৰিছে। উল্লেখযোগ্য যে, ১৯৮৮ চনত প্ৰতিষ্ঠিত মহাবিদ্যালয়খনে জিলাখনৰ প্ৰথমখন স্বায়ত্ব শাসিত মহাবিদ্যালয়ৰ স্বীকৃতি লাভ কৰিছে। বিশ্ববিদ্যালয় অনুদান আয়োগে ২০২৬-২৭ শিক্ষাবৰ্ষৰ পৰা পৰৱৰ্তী ১০ বছৰলৈ স্বায়ত্ব শাসিত মহাবিদ্যালয়ৰ স্বীকৃতি প্ৰদান কৰিছে।

ooooo

সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণৰ হাৰ নিম্নগামী হোৱা ডিব্ৰুগড় জিলাৰ বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকৰ উপস্থিতিত আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত পৰৱৰ্তী শিক্ষাবৰ্ষত ছাত্ৰ-ছাত্ৰীৰ উন্নীত ফলাফল নিশ্চিত কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা প্ৰশাসনে কঠোৰ নিৰ্দেশনা জাৰি কৰে। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত বিৰাজ বৰুৱা, বিদ্যালয়সমূহৰ পৰিদৰ্শক, ৰাজহচক্ৰ বিষয়া আৰু সহকাৰী আয়ুক্ত উপস্থিত থাকে।

ooooo

সাদিনীয়া ৰঙালী বিহুৰ আজি চেৰা বিহু। চেৰা শব্দৰ অৰ্থ - অৱসান বা সামৰণি। অসমৰ বিভিন্ন প্ৰান্তত বিশেষকৈ উজনি অসমৰ জিলাসমূহত কোনো কোনোৱে হাতত হাঁচতি লৈ গছৰ গুৰিত বা মুকলি ঠাইত বিহু উৰুৱাই আহে। উজনি-নামনি উভয়তে আজিৰ দিনটোত সাতশাকী বা সাতবিধ শাকৰ ব্যঞ্জন খোৱাৰ নিয়ম আছে। শিৱসাগৰ জিলাৰ প্ৰাচীন কীৰ্তিচিহ্ন সংৰক্ষণ সমিতিৰ উদ্যোগত আৰু সাতবিহু উদযাপন সমিতিৰ সহযোগত আজি চেৰা বিহুৰ আয়োজন কৰা হয়। এই উপলক্ষে ৰংঘৰ বাকৰিত পৰম্পৰাগত কণী যুঁজকে ধৰি ভালেসংখ্যক কাৰ্যসূচী অনুষ্ঠিত কৰে। এই অনুষ্ঠানতে বিশিষ্ট বিহুশিল্পী খগেন গগৈক স্বৰ্গদেও প্ৰমত্ত সিংহ বঁটা ২০২৬ প্ৰদান কৰা হয়। অসমীয়া নৱবৰ্ষ আৰু ব’হাগ বিহুৰ ঐতিহ্য সংৰক্ষণৰ বাবে ২০০৭ চনৰ পৰা ধাৰাবাহিকভাৱে এই বিহু পালন কৰি অহা হৈছে। আজিৰ অনুষ্ঠানত জিলাখনৰ বিভিন্ন প্ৰান্তৰ বহু জ্যেষ্ঠ নাগৰিকে হুঁচৰি গাই আনন্দ প্ৰকাশ কৰে। এই বিহু পালন সন্দৰ্ভত প্ৰাচীন কীৰ্তিচিহ্ন সংৰক্ষণ সমিতিৰ সম্পাদক মনোজ গগৈয়ে এইদৰে কয়—

**বাইট (মনোজ গগৈ)**

যোৰহাট জিলাত তৰাজান সোণাৰি গাঁৱৰ জ্ঞানজ্যোতি প্ৰগতি সমাজৰ চেমনীয়া বিহু দলে বৃদ্ধাশ্ৰমৰ আৱাসীসকলৰ সৈতে বিহু পালন কৰে।

ৰাজ্যৰ কেইবাখনো জিলাত আজি বাঁহ গোসাঁই বা পাউৰাতোলা উৎসৱৰ আয়োজন কৰা হৈছে। শৰণীয়া কছাৰী জনগোষ্ঠীৰ পৰম্পৰাগত লোক উৎসৱ বাঁহ গোসাঁই উৎসৱে আজি দ্বিতীয় তথা অন্তিম দিনা তামুলপুৰত উখল-মাখল পৰিবেশে বিৰাজ কৰিছে। প্ৰতিকূল বতৰকো নেওচি আজি পুৱাৰ ভাগত বৰনগৰৰ উৎসৱস্থলীত বহু লোকৰ সমাগম হয়। বিয়লি মুকলি সভাত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিছে।

বাক্সা জিলাতো আজি চেৰা বিহু আৰু পাউৰাতোলা উৎসৱৰ  আয়োজন কৰা হয়। জিলাখনৰ আনন্দ বজাৰত কালি সমন্বয় মঞ্চৰ উদ্যোগত অনুষ্ঠিত মুকলি বিহু প্ৰতিযোগিতাত ৰাজ্যখনৰ বিভিন্ন জিলাৰ ১৭টা বিহু দলে অংশগ্ৰহণ কৰে। জিলাখনৰ শালবাৰী মহকুমাৰ বাৰাপেটাত দুদিনীয়াকৈ অনুষ্ঠিত আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ যোৱা নিশা সামৰণি পৰে।

কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসকলে পৰম্পৰাগত জাতীয় উৎসৱ বেষমা বা বিষুৱা উদযাপন কৰিছে। ধুবুৰী জিলাৰ অসম-বংগ সীমান্তৱৰ্তী অঞ্চলত ব'হাগ মাহত আয়োজিত এই উৎসৱে জনগোষ্ঠীটোৰ লোক সংস্কৃতি আৰু সাংস্কৃতিক পৰিচয় দাঙি ধৰে। জিলাখনৰ গোলকগঞ্জৰ কছাৰীহাটত সাদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই উৎসৱ উপলক্ষে অঞ্চলটোত বহু লোকৰ সমাগম হৈছে।

বাক্সা জিলাৰ কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত আৰু আনন্দবজাৰ আঞ্চলিক কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত কালি দিনজোৰাকৈ বিষুৱা উৎসৱ পালন কৰা হয়।

০০০০০

সদ্য সমাপ্ত অসম বিধানসভা নিৰ্বাচনৰ ভোটগণনা প্ৰস্তুতি সন্দৰ্ভত আজি যোৰহাট আৰ্ৱত ভৱনৰ সভাকক্ষত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। যোৰহাট জিলাৰ জিলা আয়ুক্ত জয় শিৱানীৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত নিৰ্বাচনী প্ৰক্ৰিয়া নিকা আৰু স্বচ্ছভাৱে পৰিচালনা কৰা সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। বৈঠকত জিলাখনৰ অন্তৰ্গত চাৰিটা বিধানসভা সমষ্টিৰ ৰিটাৰ্নিং বিষয়াসকলৰ লগতে জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, নিৰ্বাচনী বিষয়া, চক্ৰ বিষয়া, সহকাৰী আয়ুক্ত আৰু বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়াসকলে অংশগ্ৰহণ কৰে।

০০০০০

সমাপ্ত